# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-04-2026 **Time :** 1100 Hrs.

0000000000

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰিবলৈ মাজত মাথো ৪ টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব’ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি কৰিমগঞ্জৰ ৰামকৃষ্ণ নগৰ আৰু কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পাঁচখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। তেওঁ মাহমৰা, সোণাৰী, নাজিৰা আৰু মৰিয়ণি সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সন্ধিয়াৰ ভাগত তেওঁ যোৰহাটত এটা ৰোড শ্ব’ত ভাগ ল’ব।

অৰুণাচলৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৰেও নিৰ্বাচনৰ বাবে দলীয় প্ৰাথীৰ সমৰ্থনত ধাৰাবাহিকভাৱে প্ৰচাৰ চলাইছে। অৰুণাচলৰ মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নাওবৈচা, ৰঙানদী আৰু লক্ষীমপুৰ সমষ্টিত তিনিখন প্ৰচাৰ সভাত অংশ ল’ব। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্য্যই গোৱালপাৰা আৰু দিছপুৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দুলীয়াজান সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে সন্ধিয়া মধ্য গুৱাহাটীত প্ৰচাৰ কাৰ্যসূচীত ভাগ ল’ব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি চাৰিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। তেওঁ পৰ্বতঝোৰা, গৌৰীপুৰ আৰু বিলাসীপাৰাৰ লগতে নলবাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

০০০০০০০

নিৰ্বাচন আয়োগে অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ সমাগত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনা ভোটদাতাসকলক বেতনসহ ছুটী মঞ্জুৰ কৰিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ নিৰ্দেশ দিছে। আয়োগে প্ৰকাশ কৰা মতে যিকোনো ব্যৱসায়, বাণিজ্য, ঔদ্যোগিক প্ৰতিষ্ঠান অথবা অন্য প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলক ভোটগ্ৰহণৰ দিনা বেতনসহ ছুটী মঞ্জুৰ কৰিব লাগিব। নিৰ্দেশ অনুসৰি নিৰ্বাচনৰ দিনা ভোটদানৰ বাবে যোৱা কোনো কৰ্মচাৰীৰ বেতন কৰ্তন কৰিব নোৱাৰিব আৰু মালিক পক্ষই এই নিৰ্দেশ উলংঘা কৰিলে জৰিমনা ভৰিব লাগিব। আয়োগে লগতে দিন হাজিৰা কৰা আৰু অংশকালীন কৰ্মচাৰীসকলেও ভোটগ্ৰহণৰ দিনা বেতনসহ ছুটীৰ সুবিধা লাভ কৰিব বুলি প্ৰকাশ কৰে। সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত

অঞ্চলত এই নির্দেশনা বলবৎ কৰাৰ বাবে কঠোৰ নির্দেশ দিয়া হৈছে আৰু সকলো ভোটদাতাই যাতে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ কোৱা হৈছে।

০০০০০০০০০

দেশত পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ মজুত সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি জনসাধাৰণক আশ্বাস দিছে। চৰকাৰে লগতে জনসাধাৰণক ভিতিগ্ৰস্ত হৈ অযথা পেট্ৰল, ডিজেল ক্ৰয় বা ৰন্ধন গেছৰ বুকিং নকৰিবলৈ পৰামৰ্শ দিছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক ৰন্ধন গেছ আৰু অন্য পেট্ৰ'লজাত সামগ্ৰীৰ অবৈধ মজুতকৰণ আৰু ক'লা বজাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

ইপিনে, ইণ্ডিয়ান অইল কৰ্প'ৰেচনে এটা বিবৃতিত প্ৰকাশ কৰা মতে ঘৰুৱা ৰন্ধন গেছৰ যোগান অব্যাহত আছে আৰু প্ৰতিদিনে প্ৰায় ২৮ লাখ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে। অসমলৈ প্ৰতিদিনে প্ৰায় ১ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। তদুপৰি চিলিণ্ডাৰ বুকিঙৰ ক্ষেত্ৰত গ্ৰাহকসকলক এছ্ এম এছ্ আৰু আই ভি আৰ এছৰ দৰে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে।

০০০০০০০

প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমাৰ আজি পুৱা গুৱাহাটীৰ কাহিলীপাৰাৰ নিজা বাসগৃহত দেহাৰসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। অসম পুলিচ ফুটবল দলক ১৯৭২ৰ পৰা ১৯৮২ চনলৈ অধিনায়ক হিচাপে নেতৃত্ব দিয়া গিলবাৰ্ট চাংমাই এই সময়ছোৱাত মুঠ ৭ বাৰ সন্তোষ ট্ৰফী ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযাগিতাত অসমক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ লগতে অসম পুলিচৰ হৈ বৰদলৈ ট্ৰফী, এ টি পি এ শ্বিল্ড, কেপ্টেইন এন এম গুপ্তা ট্ৰফীৰ খিতাপ জয় কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। গিলবাৰ্টচন চাংমাই ১৯৭৫ চনত ইণ্ডোনেচিয়া আৰু মালয়েচিয়াত প্ৰদৰ্শনীমূলক খেলত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। ২০২২ চনত তেওঁক ৰাজ্য চৰকাৰে অসম সৌৰভ বটাঁ প্ৰদান কৰে। তেওঁৰ মৃত্যুত ৰাজ্যবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে, চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০০০০

**সমাপ্ত**